بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ    نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ    وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৭ চনৰ ১৪ এপ্ৰিলত জাৰ্মানিত বায়তুল ফুতুহ মছজিদত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ ।**

মহতৰম অধ্যাপক ডঃ ইশফাক আহমদ চাহাব (শ্বহীদ মৰহুম)পাকিস্থান আৰু মহতৰম মৌলবী এচ নাছিৰ উদ্দিন চাহাব মোবাল্লিগ ছিলছিলা (ভাৰত) আৰু মহতৰমা চাহাবজাদি আমতুল ওৱাহিদ বেগম চাহিবা পত্নী মহতৰম চাহাবজাদা মিৰ্জা মোৰশিদ আহমদ চাহাব (পাকিস্থান ) ৰ প্ৰশংসিত গুনাৱলীৰ ঈমান উদ্ধীপক বৰ্ণনা ।

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কিছুমান ব্যাৱস্থাপনাৰ বিষয় সম্পৰ্কে মনযোগ আৰ্কষন কৰি কয় যে আজিৰ খোতবাত মই বেলেগ, আৰু কিছুমান বিষয় বাছি লৈছো আৰু কেইজনমান মৰহুমিনৰ জীৱন সম্পৰ্কে বৰ্ণনা কৰিম। যি সকলৰ মাজত আছে এজন শ্বহীদ, এজন মুৰব্বী ছিলছিলা, আৰু এজন হজৰত মছিহ মাওউদ (আঃ) ৰ পুতি। উক্ত লোক সকলৰ গুণাৱলী সমূহ জমাতৰ সকলো শ্ৰেণীৰ লোকৰ বাবে নেক, উদাহৰণ স্বৰূপ। এই কথাবোৰ আমালোকৰ বহুতৰ বাবে অনুসৰণীয় আদৰ্শ আৰু শিক্ষনীয় পাঠ স্বৰূপ। গতিকে মই ভাৰো যে উক্ত মৰহুমিন সকলৰ বিষয়ে বহলকৈ আলোচনা কৰা উচিত। প্ৰত্যেক জনৰ জীৱন চৰিতৰ যি অংশ মোৰ হাতলৈ আহিছে আৰু যিবোৰ মই জানো, সেইবোৰ বিষয় এনেকুৱা আছিল যি مَّن قَضَىٰ نَحْبَهُ ৰ উদাহৰণ স্বৰূপ সিহঁতক গঢ়ি তুলিছে। তেওঁলোক নিজৰ শপত আৰু নিজৰ সদিচ্ছা আৰু কল্পনা সমুহ বাস্তবায়িত কঁৰোতা লোক আছিল। যি সকলে দ্বীনক দুনীয়াৰ বিপৰীতে প্ৰাধান্যতা দান কৰি নিজৰ জীৱণ অতিবাহিত কৰিছিল। এনেদৰে অৱশেষত আল্লাহ তায়লাৰ সমীপত গৈ উপস্থিত হয়। উক্ত লোক সকলৰ ভিতৰত প্ৰথমজন হ'ল আমাৰ ভাই শ্বহীদ অধ্যাপক ডঃ ইশফাক আহমদ চাহাব। যি জনক যোৱা জুমাৰ দিনা শ্বহীদ কৰি দিয়া হৈছে। অৱসৰ প্ৰাপ্ত ইশফাক আহমদ চাহাব শ্বেখ চুলতান আহমদ চাহাবৰ পুত্ৰ আছিল। তেওঁৰ ৬৮ বছৰ বয়স হৈছিল। যোৱা জুমাৰ দিনা নমাজ পঢ়িবলৈ নিজৰ গাড়ীৰে বায়তুল ওৱাহিদৰ ফালে গৈ আছিল, বাটতে এজন আহমদীয়তৰ শক্ৰয়ে মটৰ ছাইকেলেৰে আহি তেওঁক গুলীয়াই শ্বহীদ কৰি দিয়ে। (ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন)

শ্বহীদ মৰহুমৰ ককাদেউতা শ্বেখ আব্দুল কাদিৰ চাহাবৰ জড়িয়তে হজৰত মছিহ মাওউদ (আঃ) ৰ লুধিয়ানাত অৱস্থান কৰা সময়ত মৰহুমিনৰ বংশধৰ সকলে আহমদীয়ত গ্ৰহন কৰিছিল। মৰহুম আল্লাহ তায়লাৰ কৃপাত ম'চিও আছিল। খিলাফতৰ সৈতে তুলনাবিহীন প্ৰেম হৃদয়ত ৰাখিছিল আৰু তাহাজ্জুদ নমাজ পঢ়োতা আছিল। অতিথি আলপৈচানকাৰী আৰু মানৱ সেৱা আৰু জমাতৰ পদাধিকাৰী সকলৰ আনুগত্য কৰা নেক আৰু সজ আছিল। সদায় জমাতৰ কামত আগভাগ লৈছিল আৰু পৱিত্ৰ চৰিত্ৰৰ গৰাকী আছিল। তেওঁ দাওয়াত ইলাল্লাহৰ কামত বৰ আগ্ৰহী আছিল। তেওঁৰ উত্তম চৰিত্ৰই তেওঁক লগৰীয়া অধ্যাপক আৰু ছাত্ৰ সকলৰ মাজত প্ৰিয় কৰি তুলিছিল। লগৰীয়া অধ্যাপক সকলক মাজে মাজে নিমন্ত্ৰন কৰি আনিছিল। আৰু জমাতৰ সৈতে পৰিচয় কৰাই দিছিল। মাজে সময়ে এই বিষয়ে দাবি ধমকিও শুনিছিল কিন্তু সেয়া ভ্ৰুক্ষেপ কৰা নাছিল বৰং কৈছিল যে এয়া সাধাৰণ কথা। সৰুৰে পৰাই শ্বহীদ মৰহুম জমাতৰ সেৱাৰ বাবে বৰ আগ্ৰহ ৰাখিছিল। ছবুজা জাৰ জমাতত বাসকৰা সময়ৰ সেই ঠাইৰ সদৰ আৰু নায়েব জইম আলা হিচাপে পৰিপাটিকৈ সেৱা আগবঢ়োৱাৰ সুযোগ লাভ কৰিছিল। এই বছৰ তেওঁ আল্লামা ইকবাল টাউন লাহোৰৰ ছেক্ৰেটাৰী দাওৱাত ইলাল্লাহ হিচাপে নিযুক্ত হৈছিল। তেওঁৰ সুন্দৰ আৰু পৰিপাটিকৈ দাওৱাত ইলাল্লাহৰ প্ৰোগ্ৰাম অনুষ্ঠিত কৰিছিল। তেওঁ হজৰত খলিফাতুল মছিহ ৰাৱে (ৰহঃ) ৰ সময়ত এটা সপোন দেখিছিল তাৰ ভায়েকে

সেই সপোনৰ বৰ্ণনা এনেদৰে কৰিছিল যে; তেওঁ দেখিছিল যে তেওঁলোকৰ চুবাত থকা অ-আহমদী সকলৰ মছজিদত ঘোষণা কৰি আছে যে হজৰত খলিফাতুল মছিহ ৰাবে মৃত্যুবৰণ কৰিছে আৰু ঘৰৰ চিঠিৰ বাকচত এখন কটাৰি পৰি আছে। যিয়েই নহওক খলিফা ৰাবে (ৰহঃ) ৰ মৃত্যু এম.টি.এৰ মাজেদি ঘোষনা হোৱাৰ যোগেদি এই সপোন পূৰ্ণ হৈছে আৰু যি কটাৰি দেখিছিল সেয়া তাৰ শ্বহীদ হৈ যোৱাৰ মাজেদি পূৰ্ণ হ'ল। তাৰ ভায়েকে কয় যে; আমাৰ ককাইদেৱে বংশৰ নাম উজ্বল কৰিলে। শ্বহীদ হৈ আমাৰ বাবে চানেকি এৰি থৈ গ'ল। আল্লাহ তায়লা তেখেতৰ মৰ্যদা উন্নীত কৰক। তেওঁলোক ভাই-ককাই ছয়জন আৰু এজনী ভনী আছিল।

মকৰম এচ নাছিৰ উদ্দিন চাহাব মোবাল্লিগ পূব গোদাবৰি (ভাৰত) জমাতৰ ইনচাৰ্জ আছিল। ৭ এপ্ৰিল ২০১৭ চনত গোদাবৰি নদীত ডুব গৈ ৪২ বছৰ বয়সত মৃত্যু বৰণ কৰে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। উক্ত দুৰ্ঘটনাৰ দিনা মৰহুম আমিৰ জমাত ছেকেন্দ্ৰাবাদ আৰু জমাতৰ আন-আন সদস্য সকলৰ সৈতে ভাগলপুৰ জমাতত নমাজে ফজৰ আদায় কৰি নদীলৈ যায়। নদীত কেইবাজনৰ সৈতে সাতুৰি থকা অৱস্থাত হঠাৎ অদৃশ্য হৈ যায়। মাছমৰীয়া সকলৰ দ্বাৰা ১ ঘণ্টা বিচাৰি থকাৰ পিছত পাৰত মৰা শটো পোৱা যায়। মৰহুমৰ দেউতা কেৰেলাৰ ওৱাশিৰি অঞ্চলৰ প্ৰথম আহমদী, নাম এ বশাহুল হামিদ। এখেতৰ জৰিয়তে তাত জমাত প্ৰতিষ্ঠিত হৈছে। মৰহুমৰ মাক মহতৰমা ছয়েলা কেৰুৱা প্ৰথমৰ পৰাই আহমদী আছিল। মৰহুম ২০০০ চনত কাদিয়ানৰ জামে আহমদীয়াৰ পৰা মোবাল্লিগ পাচ কৰি অন্ধ্ৰা আৰু তামিল নাড়ু জমাতৰ সেৱা কৰি থাকে। মৃত্যুৰ আগে-আগে পূবা গোদাবৰি জিলাৰ মোবাল্লিগ ইনচাৰ্জ হৈ আহে। মৰহুমৰ পত্নীয়ে কয় যে আমি এনে কিছুমান ঠাইত থাকিব লগীয়া হৈছিল য'ত কেৱল জমাতী চেণ্টাৰ আছিল তাতেই তেখেতে পৰিয়ালৰ সৈতে নমাজ পঢ়ি দৰছ শুনাইছিল। এনেকি মৃত্যুৰ এদিন আগতো এনেকুৱাই চলাই গৈছিল। মুৰব্বী মোবাল্লিগ সকলৰ বাবে এয়া শিক্ষনীয় বিষয়। যদি জমাতৰ লোক সকল দুৰ-দুৰণিত বাসকৰে তেন্তে কমপক্ষে নমাজ বাজমাত অনুষ্ঠিত হোৱা উচিত। নিজৰ পৰিয়ালৰ সৈতে নমাজ বাজমাত পঢ়িব লাগে। মৰহুমৰ পত্নীয়ে আৰু কয় যে যেতিয়া এখেতৰ কামাৰডিত পোষ্টিং আছিল লিফ লেটচ বিতৰণৰ সময়ত বিৰুধীতা বাঢ়ি গৈছিল আৰু বিৰুদ্ধবাদী সকলে তেখেতক মাৰ পিট কৰিছিল যদিও আল্লাহ তায়লাৰ কৃপাত কাণে-কাণে মাৰি বাঁচি গৈছিল। সেয়া মই তেখেতক কৈছিলো যে ইয়াত বৰ বিপদজ্জনক অৱস্থা গতিকে আপুনি কেৰেলালৈ বদলি হোৱাৰ দৰখাস্ত কৰক। তেতিয়া তেখেতে কৈছিল ঠিক আছে; মই এই বিৰুধীতা সম্পৰ্কে উল্লেখ কৰি মৰকজলৈ লিখিলে হয়তো বদলি কৰি দিব কিন্তু ইয়াৰে স্থানীয় আহমদী সকলক কলৈ বদলি কৰি দিব। তেওঁলোকৰ বিৰুদ্ধেও দেখোন সমানেই শত্ৰুতা প্ৰকট হৈ আছে। কয় যে; বিৰুধীতাক ভয় কৰি ইয়াৰ পৰা গুচি যোৱাটো ঠিক নহয়। এনেদৰেই আমি আমাৰ শপত ৰক্ষা কৰা উচিত। আমি জিন্দেগী উচ্ছৰ্গা কৰি আহিছো গতিকে যিকোনো পৰিস্থিতিতেই ইয়াত থাকিব লাগিব আৰু থকা উচিত। আৰু কয় যে যদি শ্বহীদ হৈ যোৱাৰ সৌভাগ্য লাভ হয় তেন্তে তাতকৈ আৰু কিনো ডাঙৰ পুৰস্কাৰ আছে গতিকে আমি ইয়াতেই থাকিম।

এনেদৰে মৰহুমে জীয়াই থকা সময়খিনিত বৰ সাধাৰণ ভাৱে জীৱণ যাপন কৰিছিল। মৰহুমৰ পত্নীয়ে কয় যে কেতিয়াও তেখেতে কোনোধৰণৰ বিলাসিতাৰ বস্তু, ফাৰ্নিচাৰ আদি কিনা নাছিল। ঘৰত নিজৰ কোনো ফাৰ্নিচাৰ নাছিল বৰং কৈছিল যে আমি ওয়াকফে জিন্দেগী গতিকে জমাতে যলৈ পঠাব তালৈ যাব লাগিব সেয়ে ঘৰৰ বস্তুয়ে যেন কোনোবা ঠাইলৈ বদলি হৈ যোৱাত বাধাৰ সৃষ্টি কৰিব নোৱাৰে। যি সুবিধা জমাতে প্ৰদান কৰিছে তাৰ মাজতেই আমি চলিব লাগিব আৰু সন্তুষ্ট হ'ব লাগিব। মুৰব্বী আৰু মোবাল্লিগ সকলৰ বাবে এয়াও এটা আদৰ্শ বা উদাহৰণ স্বৰূপ।

আকৌ মৰহুমৰ পত্নীয়ে উল্লেখ কৰে যে; অতিথি সৎকাৰ কৰাৰ গুণ তেখেতৰ উল্লেখণী আছিল। যদি মই ল'ৰা ছোৱালীৰ স্কুল বন্ধৰ সময়ত কেৰেলালৈ আহিছিলো তেতিয়া কোনো অতিথি তেখেতৰ ওচৰলৈ আহিলে কোনো ধৰণৰ অসুবিধা দেখুৱা নাছিল। নিজেই ৰন্ধা বঢ়া কৰি খুৱাইছিল। তেখেতৰ হৃদয়ত শ্বহীদ হৈ যোৱাৰ আশা সঞ্জীৱিত আছিল। তেখেতে কৈছিল মই বাৰ-বাৰ হজৰত মুচলেহ মাওউদ (ৰাঃ) আৰু মোৰ দেউতাকক সপোনত দেখি থাকো। মোৰ দেউতাকে মোক ইঙ্গিতেৰে মাতি থাকে। যিয়েই নহওক এক হিচাপে তেখেত শ্বহীদ হৈ গৈছে অৰ্থাৎ ধৰ্ম সেৱাৰ বাবেই তেওঁতালৈ গৈছিল। সেই ভ্ৰমনতেই ধৰ্ম সেবাৰ মাজতেই শেষ নিস্বাশ এৰিলে। গতিকে এই মৃত্যুবৰণও এক ধৰণৰ শ্বহীদৰ মৰ্যদা ৰাখে। কেইবা বাৰ মৰহুমক বিৰুদ্ধবাদী সকলে মাৰপিট কৰি লক-আপত ৰাখিছিল। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে এবাৰ মই উক্ত মৰহুমক মৌলবী সকলে বেয়াকৈ মাৰধৰ কৰাৰ ঘটনা সম্পৰ্কে খোতবা জুমাত উল্লেখ

কৰিছিলো আৰু জলছাৰ ভাষণতো শুনাইছিলো। মৰহুমে নিজৰ মাক, পত্নী আৰু দুজন ল'ৰা এৰি থৈ যায়। দুজন ককাই আছে তাৰে এজন চুলেমান চাহাব যি জনে আমিৰ জিলা পালঘাট (কেৰেলা) আন এজন এচ সামচ উদ্দিন চাহাব যিজনে নজাৰত নশৰ ও ইশায়াত কাদিয়ানৰ মালয়ালম বিভাগত বৰ্তমান খিদমত কৰাৰ সুযোগ লাভ কৰিছে।

মৰহুমৰ লগত একেলগে জমাতৰ সেৱাত ব্ৰতী থকা মোবাল্লিগ নৱিদুল ফতেহ শ্বাহিদ চাহাবে কয় যে; মৰহুম এচ নাছিৰ উদ্দিন চাহাব ছিলছিলা আহমদীয়তৰ উন্নতিৰ বাবে সদায় চেষ্টাৰত থাকিছিল। বহুত মৰমীয়াল লোক আছিল তেওঁ। আলিম ও আমলকাৰী তাহাজ্জুদ গোজাৰ লোক আছিল তেওঁ। দফতৰী কামৰ বাবে তেওঁ নিৰ্দিষ্ট সময় ঠিক কৰি লৈছিল, বুজুৰ্গ সকলক বৰ সন্মান কৰিছিল। সৰুক মৰম কৰাটোমৰহুমৰ এটা বিশেষ গুন আছিল। ভয় কেতিয়াও কৰা নাছিল। বিৰুদ্ধবাদী সকললৈ ভ্ৰুক্ষেপ নকৰিছিল। সেই কাৰণে অ-আহমদী সকলৰে এক শ্ৰেণীয়ে মৰহুমৰ লগত আনন্দেৰে মিলি জুলি থাকিছিল আৰু অন্তৰঙ্গ হৈ পৰিছিল। আৰু কয় যে; মই কেতিয়াও তাৰ মুখমণ্ডলত বাগৰ দেখা পোৱা নাছিলো খং দেখা পোৱা নাছিলো। নিজৰ লগৰীয়া মোৱাল্লিম সকলৰ সৈতে সদায় উত্তম আচৰণ কৰিছিল আৰু খবৰ লৈছিল। এনেকুৱা আছিল যে কোনোবাই এবাৰ তাৰ লগত মিলিছে যদি তালৈ এটা আকৰ্ষণ আহি গৈছে। হজৰত মছিহ্ মাওউদ (আঃ) ৰ কিতাপ নিয়মিত ভাৱে পঢ়িছিল আৰু ইয়াৰ বাবেও সময় নিৰ্দ্ধাৰিত কৰি লৈছিল। কোৰ'আন মজিদ পাঠ কৰাত কেতিয়াও আলসতা নেদেখুৱাইছিল। এই বিষয় সমুহ প্ৰত্যেক মুৰববীৰ বাবে অতি প্ৰয়োজনীয় পাঠ। ডায়েৰী প্ৰত্যহ লিখিছিল আৰু খিলাফতৰ ফালৰ পৰা হোৱা সকলো কথা গুৰুত্ব সহকাৰে শুনিছিল। হুযুৰ আনোৱাৰ (আইঃ) ৰ খোতবা জুমা শুনি তাৰ ওপৰত আমল কৰাৰ পূৰ্ণ চেষ্টা কৰিছিল। হজৰত মছিহ মাওউদ (আঃ) আৰু আঁহজৰত (ছাঃ) ৰ প্ৰতি আৰু খিলাফতৰ প্ৰতি সীমহীন ভালপোৱা হৃদয়ত পুহিছিল। যাৰ দৃষ্টান্ত মৰহুমৰ কৰ্মৰাজিত দৃষ্টি গোচৰ হৈছিল।

মোৱাল্লিম উজিৰ চাহাবে কয় যে; মই মৰহুমক সদায় তাহাজ্জুদ নমাজ পঢ়া, কোৰ'আন মজিদ তিলাওয়াত কৰা, শান্ত স্বভাৱ আৰু খিলাফতৰ প্ৰতি অধিক ভালপোৱা প্ৰকাশ কৰা দেখা পাইছো। বা জমাত নমাজৰ প্ৰতি বৰ দৃষ্টি দিছিল অতিথি আলপৈচানত বৰ আগ্ৰহী আৰু নিয়মিত খৰচৰ মাজেৰে সাধাৰণ জীৱণ যাপন কৰোতে দেখা পাইছো। মৰহুম কিতাপ পঢ়াত বৰ আগ্ৰহী আছিল। কোনো প্ৰশ্ন সুধিলে বৰ সুন্দৰকৈ বুজাই উত্তৰ দিছিল। বেছি ভাগ প্ৰোগ্ৰাম অথবা বৈঠক আদিত বিশেষকৈ ভ্ৰমণৰ সময়ত খোদ্দাম সকলৰ লগত বহিলে কিছুমান ঈমান বৰ্দ্ধক ঘটনা শুনাইছিল। সকলোৰে সৈতে উত্তম চৰিত্ৰ প্ৰদৰ্শন কৰিছিল। গতিকে প্ৰত্যেকেই তেওঁৰ লগত থকাটো পছন্দ কৰিছিল। আল্লাহ তায়লা এখেতৰ মৰ্যদা উন্নীত কৰক।

আন এজনী মৰহুমা চাহাবজাদি আমতুল ওৱাহিদ বেগম চাহিবা, পত্নী চাহাবজাদা মিৰ্জা খোৰশিদ আহমদ চাহাবৰ বিষয়ে উল্লেখ কৰিবলৈ লৈছো। তাই ১০ এপ্ৰিল ২০১৭ চনৰ ৰাতি ১০ বজাত প্ৰায় ৮২ বছৰ বয়সত ইহলীলা সম্বৰণ কৰে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। এইজনী হজৰত মিৰ্জা শ্বৰীফ আহমদ চাহাবৰ সকলোতকৈ সৰু জীয়েক আছিল। মোৰ পেহীয়েক আছিল। হজৰত মছিহ মাওউদ (আঃ) ৰ পুতি আৰু হজৰত নোৱাব মহম্মদ আলি খান চাহাবৰ নৱাহি আছিল। বেহেস্তি মকবৰা ৰবোৱাত তাই কবৰিত হৈছে। ১৯৫৫ চনৰ ২৬ ডিচেম্বৰত হজৰত খলিফাতুল মছিহ ছানি তাইৰ নিকা খোৰশিদ আহমদৰ সৈতে পঢ়াইছিল। আল্লাহ তায়লাৰ কৃপাত তাই ছয় জন ল'ৰা সন্তানৰ মাক হৈছিল তাৰে চাৰিজন ল'ৰা ওয়াকফে জিন্দেগীত অংশ গ্ৰহন কৰিছে। দুজন ডক্টৰ হিচাপে ফজলে ওমৰ চিকিৎসালয়ত সেৱা আগবঢ়াই আছে। এজন পি.এইচ.ডি. ডাঃ নজাৰতে তালিমত কাম কৰি আছে আৰু এজন অকিল হিচাপে সদৰ আঞ্জুমান আহমদীয়াৰ মশ্বিৰ কানুনি দফতৰত কাম কৰি আছে। তাই লাজনা ইমাউল্লাৰ খিদমত আগবঢ়াইছিল প্ৰায় ২৯ বছৰ সময়। চেক্ৰেটাৰী উদ্যোগ আৰু ব্যাৱসায় আৰু নায়েব সদৰও আছিল। নিজৰ ওপৰৰ বিষয় ববীয়া সকলৰ আনুগত্য কৰিছিল তাত কোনো ধৰণৰ সম্পৰ্ক আৰু বয়সৰ পাৰ্থক্য বিচাৰ কৰা নাছিল মোৰ পত্নীয়ে মোক কয় যে; যেতিয়া মই দুবছৰকাল ৰাবোৱাত সদৰ লাজনা আছিলো তেতিয়া মৰহুমা ছেক্ৰেটাৰী উদ্যোগ আৰু বাণিজ্য আৰু নায়েব সদৰ হিচাপে মোৰ সৈতে কাম কৰিছিল সদায় আনন্দ মনেৰে আৰু বিনয়ী ভাৱে আনুগত্যৰ সৈতে নিজৰ দায়িত্ব পালন কৰিছিল। তাইৰ পতি মকৰম খোৰশিদ আহমদ চাহাবে কয় যে; তাই এজন ওয়াকফে জিন্দেগীৰ পত্নী হোৱাৰ হ'ক আদায় কৰিছে। আকৌ নিজৰ সন্তানক ঘৰৰ কাম থকা সত্বেও অতি সুন্দৰ পৰিপাটিকৈ ৰাখিছিল। যদি কোনোবাই কোৰ'আন মজিদ পাঠ নকৰিছিল তেন্তে তাক পঢ়াইছিল।

তাইৰ এজনী ননদ মোৰ নবৌ আছিল তাই লিখিছে যে; মৰহুমাৰ লগত আমাৰ সম্পৰ্ক এনেকুৱা আছিল যেনেকৈ মা-

জীয়ৰিৰ সম্পৰ্ক থাকে। মোৰ মাকৰ মৃত্যুৰ পিছত তাই আমালোকৰ প্ৰতি বৰ লক্ষ্য ৰাখিছিল। কেইবাজন ল'ৰাক নিজৰ ঘৰত লালন পালন কৰিছিল আৰু শিক্ষা দীক্ষা দিছিল। মৰহুমাৰ সৰু ননদ জনীয়ে লিখিছে যে মই এবাৰ তাইক সুধিছিলো যে আপুনি কেই বছৰ বয়সৰ পৰা তাহাজ্জুদ নমাজ পঢ়া আৰম্ভ কৰিছে। তাই উত্তৰত কৈছিল যে; মই ১২ বছৰ বয়সৰ পৰা নিয়মিত তাহাজ্জুদ নমাজ পঢ়ি আছো। আমাৰ ঘৰৰ ছয়জনী বোৱাৰীৰ সৈতে তাইৰ সম্পৰ্ক মধুৰ আছিল। সকলোকে নিজৰ জীয়েকৰ দৰে দেখিছিল। মোৰ সৰু পালক ভনী আমতুল কুদুছ চাহিবায় লিছিছে যে; মানৱৰ আমলত কম বেছি হৈ থাকে কিন্তু তাইৰ কোৰ'আন, হদীছৰ সৈতে প্ৰগাঢ় সম্পৰ্ক আছিল। নেকি তাইৰ হৃদয়ত ভৰপূৰ আছিল। যেতিয়া তাই দেখিছিল যে আমাৰ আচাৰ-আচৰণ আৰু শিক্ষাৰ বিৰুদ্ধে কোনো কথা হৈছে তেন্তে তাই নিজৰ বিৰুদ্ধেই কথা কৈছিল।

তাইৰ পুতেকে লিখিছে যে; প্ৰথমে খিলাফতৰ সৈতে তেখেতৰ যি সম্পৰ্ক আছিল সেয়া বেলেগ আছিল পিছত সকলো সম্পৰ্ক শেষ হৈ কেৱল খিলাফতৰ সৈতে সম্পৰ্ক অটুট আছিল। যেতিয়া খলিফাতুল মছিহৰ মৃত্যুৰ খবৰ আহিল আমি সকলোৱে নমাজ পঢ়িবলৈ মছজিদলৈ গৈছিলো, মোৰ আম্মিজান দুঃখত ভাৰাক্ৰান্ত আছিল। সেই সময়ত মোৰ ডাঙৰ নবৌ উচ্চস্বৰত কান্দিবলৈ আৰম্ভ কৰিছিল তেতিয়া আম্মিজান তাইক কৈছিল নীৰৱ থাকা, এতিয়া জমাতৰ ওপৰত এটা মচিবত (বিপদ) চাপিছে, এয়া হ'ল দোৱা কৰাৰ সময়। গতিকে দোৱা কৰি থাকা। লালন পালনৰ সম্পৰ্কক বে সন্মান দিছিল। যিয়েই নহওক এইবোৰ বহুত গুনাৱলী তাইৰ মাজত আছিল। আল্লাহ তায়লা মৰহুমৰ ল'ৰা ছোৱালীৰ মাজত এইবোৰ গুনাৱলী অটুট ৰাখক। খিলাফতৰ সৈতে আনুগত্যৰ সম্পৰ্ক অটুট ৰাখক। আল্লাহ তায়লা মৰহুমাৰ মৰ্যদা উন্নীত কৰক। হুযুৰ আনোৱাৰ (আইঃ) য়ে নমাজে জুমাৰ পিছত উক্ত মৰহুম সকলৰ জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে।

*********

**Assamess Khulasa Khutba Jumma Huzoor Anwar 14 April 2017**

**BOOK POST (PRINTED MATTER)**

**To**

___________________________

___________________________

___________________________

From: Ahmadiyya Circle Office, Abhayapuri M.G.Road W/N- IV Bongaigaon Assam 783384. # 9864337890